# Sample question paper

## Subject: Assamese

## Subject code- (114)

## Class: XII

## Session: 2025-26

Time: 3 hours Total marks: 80

Section A

Comprehension ( বোধ পৰীক্ষণ)

1. তলৰ অনুচ্ছেদটো পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা। 2x6=12

মানৱ শিশুৰ অন্তৰত নিহিত থকা স্বাভাৱিক প্ৰবৃত্তি আৰু প্ৰতিভাক সুস্থ আৰু সুপৰিকল্পিতভাৱে বিকাশৰ পথ নিৰ্দেশ কৰি সৰ্বাংগ সুন্দৰ জীৱন যাপন কৰিব পৰা সুনাগৰিক গঢ়ি তুলিব পৰাটোৱেই শিক্ষাৰ মুল উদ্দেশ্য। যিসকলে এই শিক্ষা অনুধাৱন কৰি সুন্দৰ জীৱন গঢ়িবলৈ প্ৰয়াস পায়, সেইসকলেই ছাত্ৰ। সেয়ে ছাত্ৰ জীৱনত সুশিক্ষা লাভ কৰি শৰীৰ, মন, বুদ্ধি, প্ৰতিভাক শিক্ষাৰূপী কষটি শিলেৰে ঘঁহি মনুষ্যত্বৰ পূৰ্ণ বিকাশ সাধনত ব্ৰতী হৈ মধুৰ জীৱন গঢ়ি তোলাটোৱেই ছাত্ৰসকলৰ মুখ্য উদ্দেশ্য হোৱা উচিত। জীৱন যুঁজত বিজয়ী হবলৈ অনুশীলনৰ আৱশ্যক। এই অনুশীলনৰবাবে গভীৰ অধ্যয়নৰ প্ৰয়োজন। সেয়ে প্ৰথম পৰ্যায়ত অধ্যয়নেই ছাত্ৰৰ মুখ্য ব্ৰত। এই ব্ৰত সফল কৰি তুলিবলৈ সাধনা লাগে। আন্তৰিকতাপূৰ্ণ মনোযোগ, অধ্যৱসায়, ঐকান্তিক অনুশীলন আৰু অনুসন্ধিৎসাৰ যোগেদি সাধনা লাভ হয়। তদুপৰি গভীৰ দূৰদৃষ্টি আৰু আত্মপ্ৰত্যয়ৰ প্ৰয়োজন। প্ৰথমে নিজৰ পাঠ্য বিষয়ৰ জ্ঞান লাভ কৰিবলৈ চেষ্টা কৰিব লাগিব। কাৰণ জীৱনৰ পৰীক্ষাত উত্তীৰ্ণ হব লাগিলে প্ৰথমে বিদ্যালয়ৰ পৰীক্ষাত কৃতকাৰ্যতা লাভ কৰিব লাগিব। এই কৃতকাৰ্যতাত উৰ্ত্তীণ হব লাগিলে অধ্যয়ন আৰু অধ্যৱসায়ৰ লগতে শৃংখলা,নিয়মানুবৰ্তিতা,সময়ানুবৰ্তিতাৰ একান্ত প্ৰয়োজন। সময়ৰ মূল্যবোধ থাকিলেহে কামত উদগতি লাভ কৰিব পাৰি। দীৰ্ঘসূত্ৰিতা এক মহা ব্যাধি। ই মানুহক এলেহুৱা কৰি তোলে তথা অৱসাদক প্ৰশ্ৰয় দিয়ে আৰু কৰ্মপ্ৰেৰণা ৰহিত কৰি কৰ্মবিমুখ কৰি তোলে। সেয়ে এই ব্যাধিক দূৰ কৰি অধ্যয়নত অটল হৈ জীৱন গঢ়িব লাগে ।

শিষ্টাচাৰ, সাধুতা, নম্ৰতা, কৰ্তব্যপৰায়ণতা, ভক্তিপৰায়ণতা আদি ছাত্ৰ ছাত্ৰীৰ সজ গুণ। কেৱল উচ্চ শিক্ষাই মানুহক প্ৰকৃত মানৱৰূপে পৰিগণিত হব নোৱাৰে, যদিহে তেওঁৰ এই গুণবোৰ বৰ্জিত হয়। এই গুণ আহৰণৰ প্ৰথম ঠাই হল ঘৰখন। ঘৰখনত নিজৰ পিতৃ মাতৃৰ প্ৰতি ভক্তি ৰাখি তেওঁলোকৰ আশা আকাংক্ষা পূৰণৰবাবে অহোপুৰুষাৰ্থ কৰিব লাগিব। পিতৃ মাতৃৰ বাবেই আমি প্ৰকৃতিৰ সৌন্দৰ্য্য, বিচিত্ৰতা উপভোগ কৰিবলৈ তথা সা- সুবিধা লভিবলৈ সক্ষম হৈছো।

শিক্ষকসকলৰ প্ৰতিও ছাত্ৰ–ছাত্ৰীসকল ভক্তিপৰায়ণ হোৱা উচিত। শিক্ষকসকলে আমাৰ দৃষ্টি বহল কৰি পৃথিৱীখন চাবলৈ আৰু নিজকে প্ৰতিষ্ঠা কৰিবলৈ শিকায়। আমাক অজ্ঞান আন্ধাৰৰপৰা

পোহৰৰ বাটলৈ লৈ যায়, সুনাগৰিক হৈ সুখী জীৱন যাপন কৰাৰ উপযুক্ত হোৱাৰ পথ প্ৰদৰ্শন কৰে। সেয়ে ছাত্ৰ ছাত্ৰীয়ে গুৰুৰ আদেশ পালন কৰি শিক্ষা লাভত নিয়োগ কৰা উচিত।

ছাত্ৰসকল সমাজৰো অংগ। সমাজৰ প্ৰতিও ছাত্ৰৰ কৰ্তব্য আছে। অধ্যয়নত ৰত থাকিও আজৰি সময়ত, বন্ধৰ দিনত সমাজৰ অন্যান্য ব্যক্তিৰ লগত সহযোগ কৰি সামাজিক উন্নয়নৰ কামত সহায় কৰা উচিত।

প্ৰশ্ন:

I) শিক্ষাৰ মুল উদ্দেশ্য কি কি?
II) পৰীক্ষাত কৃতকাৰ্য হবলৈ কিহৰ প্ৰয়োজন?
III) দীৰ্ঘসূত্ৰিতাই মানুহক কি কৰি তোলে?
IV) ছাত্ৰ-ছাত্ৰীৰ চাৰিত্ৰিক গুণবোৰ কি কি?
V) শিক্ষকে ছাত্ৰ- ছাত্ৰীক কি কি শিকায়?
VI) ছাত্ৰই সমাজক কি কামত সহায় কৰিব পাৰে?

2)শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা। 1x3=3

I) ‘ এলেহুৱা ‘শব্দটোত কি প্ৰত্যয় যোগ হৈছে ?

A. উৱা
B. আ
C. ঈয়া
D. ওৱা

II) ‘সা-সুবিধা’ কি শব্দ?

A. অনুকাৰ
B. অনুৰূপ
C. যৌগিক
D. ৰূঢ়

III) ‘অটল ’ শব্দটোৰ সমোচ্চাৰক শব্দ হল

A. বিশাল
B. অতল
C. তৰল
D. বৰল

## Section B

( লিখন কলা)

3 . a) তলত দিয়া সংকেত বাক্যৰ সহায়ত গল্পটো সম্পূৰ্ণ কৰা। শিৰোনাম আৰু নীতি শিক্ষা দিবা 5x1=5

এদিন মাছবোৰে গোট খাই মাছভক্ষী জীৱ- জন্তুৰ বিৰুদ্ধে যুঁজ দিবলৈ বিলত মেল পাতিলে। ৰৌ, বৰালি.......ডঁৰিকনা সকলো মাছ আহিল গেদগেদীৰ বাহিৰে। গংগাটোপে মেলখন কিয় পাতিছে ব্যাখ্যা কৰিলে- " জীৱৰ ভিতৰত মানুহে আমাক জাকৈ.......আদিৰে ধৰি তেলত ভাজি.......খায়। আনহাতে মানুহে ঘৰত গৰু, মহ.....পোহে। খাবলৈ ঘাহঁ .....থাকিবলৈ গোহালি সাজি দিছে। মানুহৰ বিষয়ে বহলাই গেদগেদী মাহীয়ে কব পাৰিব ।" গৰৈয়ে গেদগেদীৰ ঘৰলৈ গ'ল। মাতিলত খং উঠি নাহিল.....। গংগাটোপ আহিল। শুৱলাকৈ কাঞ্চনমতী বুলি মতাত গ'ল। গেদগেদীয়ে কলে " ভালেহে জানে ভালৰ মোল "। .....গংগাটোপ গপতে ওফন্দি উঠাত পেট ফুলি ফুটি গ'ল। .....সকলোৰে ভয় খাই পলাল।

বা

b) যিকোনো এখন ৰচনা লিখা 5x1=5

I) পৰিৱেশ প্ৰদূষণ আৰু প্ৰতিকাৰ

II) মোৰ প্ৰিয় সাহিত্যিক

4) তোমাৰ বিদ্যালয়ত অনুষ্ঠিত হোৱা ৰাভা দিৱসৰ বিষয়ে জনাই বাতৰি কাকতত প্ৰকাশৰ বাবে এখন প্ৰতিবেদন যুগুত কৰা 5x1=5

5) তলত দিয়া যিকোনো এটা ফকৰা যোজনা বুজাই লিখা। 5x1=5

I) শাকত নাখায় লোণ, পিটিকাত যায় তিনিগুণ।

II) যি মূলা বাঢ়িব তাৰ দুপাততে চিন।

6) ভাৱ সম্প্ৰসাৰণ কৰা (যিকোনো এটাৰ) 5×1=5

I) স্বদেশ আৰু স্বজাতিৰ উন্নতিৰ মংগল মন্দিৰৰ সিংহ দুৱাৰ হৈছে মাতৃভাষা ।

II) শ্ৰম সিদ্ধিৰ অমোঘ মন্ত্ৰ।

7)তলত দিয়া খণ্ডবাক্য কেইটাৰে বাক্য ৰচনা কৰা (যিকোনো পাঁচটা) 5x1=5

ভাত ঘৰ, ভাতৰ ভতুৱা, বাট মাৰ, মাটিৰ মানুহ , মাত মাত, হাড়ক মাটি কৰ

## Section-C

( ব্যাকৰণ)

৪) তলত দিয়া সমোচ্চাৰিত শব্দকেইটাৰ শুদ্ধ অৰ্থ বাছি উলিয়াই লিখা 1X4=4

I) পাণি

A. হাত
B. হাট
C. পাচলি
D. ফল

II) পানী

A. ধূলি
B. জল
C. হাত
D. ছল

III) ফণি

A. চুলি আচোঁৰা সজুঁলি
B. সাপ
C. দূৰ
D. হিংসা

IV) ফণী

A. ওচৰ
B. চুলি আচোঁৰা সজুঁলি
C. হাতী
D. সাপ

9) a)তলত দিয়া শব্দ দুটাৰ অনুৰূপ শব্দ বাছি উলিয়াই লিখা । 1X4=4

I) মাছ

A. তাছ
B. চাছ
C. চাহ
D. চাত

II) চাকৰ

A. বাখৰ
B. নাকৰ

C. মাকৰ
D. পাকৰ

b) তলৰ শব্দটোৰ অনুকাৰ শব্দ লিখা

I) টং

A. টিং
B. মং
C. টং
D. চং

II) হিৰ

A. হিৰ
B. গিৰ
C. ঘিৰ
D. হুৰ

10) তলত দিয়া নিয়মসমূহৰ অন্তৰ্গত নিৰ্দিষ্ট শব্দকেইটা বাছি উলিয়াই লিখা। 1X4=4

I) একেটা পদত থকা ঋ, ৰ, ষ- ৰ পিছত থকা দন্ত্য ন, মূৰ্দ্ধন্য ণ হয়

A. কণ্ঠ
B. নাৰায়ণ
C. পাণি
D. নিপুণ

II) ট- বৰ্গৰ কোনো বৰ্ণৰ লগত যুক্ত হলে দন্ত্য ন, মূৰ্দ্ধন্য ণ হয়

A. দুষ্ট
B. ঋষি
C. ভূষণ
D. বৰষুণ

III) সু আৰু বি উপসৰ্গৰ পাছত থকা সম শব্দৰ দন্ত্য স মূৰ্দ্ধন্য ষ হয়

A. বিষয়
B. দোষ
C. নিষেধ
D. বিষম

IV) কিছুমান শব্দত স্বাভাৱিকতে মূৰ্দ্ধন্য ষ হয়

A. পুৰুষ
B. কষ্ট
C. ভূমিষ্ঠ
D. বিষাদ

11) তলৰ শব্দকেইটাত কি প্ৰত্যয় যোগ হৈছে বাছি উলিয়াই লিখা।　　　1X4=4

I) সাৰুৱা

A. উৱা
B. ওৱা
C. ইয়া
D. উৰা

II) খেতিয়ক

A. ক
B. ওক
C. ৱক
D. অক

III) বননি

A. নি
B. অনি
C. অনী
D. উনি

IV) লুণীয়া

A. ঈয়া
B. ইয়া
C. য়া
D. উৱা

12. উত্তৰ লিখা　　　1x4=4

I) প্ৰত্যক্ষ উক্তি কি চিহ্নৰ মাজত ৰাখি প্ৰকাশ কৰা হয় ?
II) প্ৰত্যক্ষ উক্তিত ব্যৱহাৰ হোৱা 'কালিলৈ' শব্দটো পৰোক্ষ উক্তিত কি হয় ?
III) প্ৰত্যক্ষ উক্তিৰ এটা বাক্য লিখা ।
IV) পৰোক্ষ উক্তিৰ এটা বাক্য লিখা ।

## Section D

(গদ্য ভাগ)

13. তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা। 4X1=4

I) "মোৰ মাতৃমুখ দৰ্শন" পাঠটোৰ আধাৰত লক্ষ্মীনাথ বেজবৰুৱাই উল্লেখ কৰা মহাদেৱৰ কাহিনীটো নিজৰ ভাষাত লিখা ।

II) গুৰুৱে শিক্ষাৰ্থীক অধ্যয়ন সমাপ্ত হোৱাৰ পাছত কি কি উপদেশ দিছিল ?

14. তলত দিয়া যিকোনো এটাৰ প্ৰশ্নৰ উত্তৰ লিখা । 2X1=2

I) "মোৰ মাতৃমুখ দৰ্শন" পাঠটোত মাতৃ শব্দৰে কি বুজোৱা হৈছে? কিমান বছৰৰ মূৰত লেখকৰ মাতৃমুখ দৰ্শন হৈছিল?

II) আনন্দৰাম বৰুৱাৰ কোনবোৰ কথাৰবাবে পূজ্য হৈ ৰব ?

15. তলত দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰ বাছি উলিয়াই লিখা। 1X4=4

I) সম্বলপুৰ ভাৰতৰ কোনখন ৰাজ্যত অৱস্থিত?
II) আনন্দৰাম বৰুৱাৰ জন্ম ক'ত হৈছিল?
III) চাৰি আশ্ৰম কি কি?
IV) উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৱে সম্পাদনা কৰা গ্ৰন্থ এখনৰ নাম লিখা।

**(পদ্য ভাগ)**

16. যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা 4X1=4

I) তোমাৰ পাঠত থকা "উভতি নহাৰ কবিতা" কবিতাটোৰ মূলভাৱ লিখা।
II) 'উঠৰে উঠ বাপু গোপাল হে' কবিতাটোৰ মাজেৰে যশোদাৰ মাতৃস্নেহ কিদৰে প্ৰকাশিত হৈছে বুজাই লিখা।

17. চমু উত্তৰ লিখা (যিকোনো এটা) 2x1=2

I) জনতাৰ আহ্বান কবিতাটোত ' আজি পৃথিৱীৰ আকাশে বতাহে জনতাৰ আহ্বান' বুলি কিয় কৈছে?

II) "উভতি নহাৰ কবিতা"টোত কবিৰ মতে পৃথিৱীলৈ নতুন মানুহ আহিলে কি পৰিৱৰ্ত্তন হব?

18. উত্তৰ লিখা 1x4=4

I) বৰগীতসমূহ কি ভাষাত ৰচিত?
II) কোনখন গ্ৰন্থক মাধৱদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ বুলি কোৱা হয়?
III) জোতিপ্ৰসাদ আগৰৱালাৰ কবিতা পুথিখনৰ নাম কি ?
IV) নৰকান্ত বৰুৱাই ৰচনা কৰা এখন উপন্যাসৰ নাম লিখা?